بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**২৩ মাৰ্চ উপলক্ষে হজৰত মছীহ মাওউদ (আঃ) ৰ অন্তৰ্দৃষ্টিপূৰ্ণ নিৰ্দেশাৱলীৰ আলোকত মছীহ মাওউদৰ প্ৰেৰণ সন্দৰ্ভত বৰ্ণনা তথা পাকিস্তানৰ আহমদী সকলৰ আৰু উম্মতে মুছলিমাৰ বাবে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ।**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২১ মাৰ্চ ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ اَلرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, পৰহি ২৩ মাৰ্চ হয়। জামাত আহমদীয়াৰ ইতিহাসত ২৩ মাৰ্চ দিনটো বৰ গুৰুত্বপূৰ্ণ; কিয়নো ২৩ মাৰ্চ ১৮৮৯ চনত হজৰত মছীহ মাওউদ (আঃ)য়ে বয়াতৰ আৰম্ভণি কৰি জামাতৰ ভেঁটি স্থাপন কৰে। আল্লাহ তা'লাৰ প্ৰতিজ্ঞা অনুসৰি আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী তেখেতৰ আগমন ঘটিছিল। সেই সময়ত ইছলামৰ নৌকা অস্থিৰ অৱস্থাত আছিল। ধাৰ্মিক, ৰাজনৈতিক আৰু পাৰ্থিৱতাৰ ক্ষেত্ৰত এতিয়াও ই বিতৰ্কিত। যদিও বহু মুছলমান দেশ তেলৰ সম্পদেৰে চহকী, কিন্তু তাৰ গুৰুত্ব আৰু প্ৰতিপত্তি হেৰাই গৈছে। কিন্তু যেতিয়া তেখেত (আঃ)য়ে বয়াত লৈছিল সেই সময়ত মুছলমান সকলৰ অৱস্থা চাই তেখেতৰ হৃদয়ৰ পৰা তেজৰ অশ্ৰু বৈ আছিল। ইছলামৰ ওপৰত বিশেষকৈ খ্ৰীষ্টানসকলৰ ফালৰ পৰা ভীষণ ভাৱে আক্ৰমণ চলাই আছিল। উত্তৰ দিয়াৰ বাবে কোনেও নাছিল। মুছলমান আলিম সকলে ভীতি হৈ পৰিছিল। লাখ লাখ মুছলমান খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰি আছিল।

সেই সময়ত যেতিয়া মুছলমান সকলৰ এনে অৱস্থা আছিল তেতিয়া হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ) যিয়ে আল্লাহৰ নিৰ্দেশ অনুসৰি থিয় হৈ ইছলামৰ সমৰ্থনত আল্লাহৰ পোছাক পৰিধান কৰাৰ ভূমিকা পালন কৰে। তেখেত (আঃ)য়ে সেই সময়ৰ সকলোবোৰ ধৰ্মই যেতিয়া

ইছলাম আৰু ইছলামৰ প্ৰতিষ্ঠাপকৰ ওপৰত ভাষণ আৰু লিখনীৰ দ্বাৰা ধাৰাবাহিক আক্ৰমণ কৰি আছিল সেইবোৰৰ উত্তৰ দিয়ে। বয়াত লোৱাৰ আগতে তেখেত (আঃ)য়ে সেই বেদনাৰ কাৰণে এখন গ্ৰন্থ প্ৰণয়ন কৰে যাৰ নাম বাৰাহিনে আহমদীয়া ৰখা হয়। ইয়াতে তেখেত (আঃ)য়ে শত্ৰুসকলৰ, ইছলামৰ বিৰুদ্ধবাদী সকলৰ আক্ৰমণৰ দাঁত ভঙা উত্তৰ দিছে। তেখেত ইয়াত কোৰআন কৰিম ঐশ্বৰিক বাণী হোৱা, দৃষ্টান্তহীন গ্ৰন্থ হোৱাৰ আৰু আঁহজৰত (ছাঃ) সত্য, নিষ্ঠাবান আৰু শেষ নবী হোৱাৰ অটুট যুক্তিবোৰ দাঙি ধৰে। কৈছে যে যিয়ে সেই যুক্তি সমূহ নাকচ কৰিব পাৰে তেওঁৰ বাবে প্ৰত্যাহ্বান আছে, কৈছে যিয়ে ইয়াৰ তৃতীয় বা চতুৰ্থ বা পঞ্চম অংশ প্ৰত্যাখ্যান কৰিব পাৰে তেওঁক দহ হাজাৰ পুৰস্কাৰ দিয়া হ'ব যিটো সেই সময়ৰ এটা বৃহৎ পুৰস্কাৰ আছিল। সেই সময়ত মুছলমান সকলৰ আত্মবিশ্বাস উদয় হ'ল যে ইছলামও এটা ধৰ্ম হয়। মুছলমান আলিম সকলে বৰ প্ৰশংসা কৰিছিল। হজৰত মছীহ মাওউদ (আঃ)ৰ ইছলামৰ এই সেৱা আগবঢ়োৱাৰ বাবে লোকসকলে কৈছিল যে আমাৰ বয়াত লওঁক। কিন্তু তেতিয়াও তেখেত (আঃ)ৰ বাবে বয়াত লোৱাৰ কোনো নিৰ্দেশ জাৰি হোৱা নাছিল। তাৰ পিছত যেতিয়া আল্লাহ তা'লাই নিৰ্দেশ জাৰি কৰিলে যে এতিয়া ঘোষণা কৰি দিয়া যে তুমি মছীহ ও মাহদী মাওউদ। তেখেত (আঃ)য়ে ডিচেম্বৰ ১৮৮৮ চনত **তবলিগ নামে** বয়াত লোৱাৰ ঘোষণা প্ৰকাশ কৰিলে যে যেতিয়া তুমি দৃঢ় সংকল্প লোৱা তেতিয়া আল্লাহৰ ওপৰত ভৰসা কৰা, আৰু আমাৰ সন্মুখতে আমাৰ ওহী অনুযায়ী নৌকা প্ৰস্তুত কৰা। যিসকলে তোমাৰ হাতত বয়াত কৰিব সেইসকল প্ৰকৃততে তোমাৰ নহয় খোদাৰ হাতত বয়াত ল'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লাই নিদৰ্শন দেখুৱাইছে যাৰ মাজত বিশেষকৈ চন্দ্ৰ সূৰ্য গ্ৰহণৰ নিদৰ্শন আছিল, যাৰ বিষয়ে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে যে মোৰ মাহদীৰ আগমনৰ বাবে এইটো বিশেষ নিদৰ্শন হয় যিটো নিৰ্দিষ্ট তাৰিখত গ্ৰহণ হ'বলগীয়া আছিল। যিটো ১৮৯৪ চনত প্ৰাচ্য, আৰু পশ্চিমীয়া দেশত ১৮৯৫ চনত গ্ৰহণ লাগে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াত এইটোও কৈ দিওঁ যে এই ৰমজানতেও চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ লাগিব; আৰু সেই তাৰিখবোৰতে গ্ৰহণ লাগিব আৰু পৰৱৰ্তীতো হ'ব পাৰে। কিন্তু যি চন্দ্ৰ আৰু সূৰ্য গ্ৰহণ তেখেতে (আঃ)ৰ যুগত লাগিছিল আৰু সেয়াও তেখেত (আঃ)ৰ দাবীৰ পিছত লাগিছিল সেইটোৰ গুৰুত্ব অন্যতম। তেখেত (আঃ)য়ে আল্লাহ তা'লাৰ পৰা এটা পাৰ্থক্যমূলক নিদৰ্শন বিচাৰিছিল যিটো আল্লাহ তা'লাই দেখুৱাই দিছিল। কিছুমান আহমদীসকলে এই দিনবোৰতে যি গ্ৰহণ লাগি আছে সেইটোকে নিদৰ্শন বুলি কৈ আছে। এইটো আল্লাহ তা'লাই উত্তম জানে। যদিও এইটোক নিদৰ্শন বুলি ভাৱে তথাপি এইটো ধাৰাবাহিক প্ৰক্ৰিয়া যিটো জাৰী আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে তেখেত (আঃ)য়ে ১২ জানুৱাৰী ১৮৮৯ চনত **তকমিলে তবলিগ** নামেৰে এখন বিজ্ঞাপন প্ৰকাশ কৰিছিল সেইটোতে দহটা চৰ্ত আছিল। আমি জানো যে এজন আহমদী হোৱাৰ বাবে এই দহটা চৰ্তৰ ওপৰত পৰিচালিত হোৱা আৰু সেইবোৰক মন প্ৰাণেদি গ্ৰহণ কৰা জৰুৰী। হুজুৰ আনোৱাৰ (আইঃ)য়ে সেই চৰ্তাৱলী সমূহৰ সাৰাংশ বৰ্ণনা কৰি কৈছে যে এই চৰ্তাৱলী গ্ৰহণ কৰি বহু নিষ্ঠাবান সকলে বয়াত গ্ৰহণ কৰিছে এতিয়ালৈকে সেই চৰ্তাৱলী অনুসৰি বয়াত হৈ আছে। আমি ভৱা উচিত যে আমি ইয়াৰ ওপৰত পৰিচালিত হৈ আছো নে? জামাতত

নিষ্ঠাবানৰ বিশাল সংখ্যা আছে যিসকলে বয়াত কৰিছে, তেওঁলোকে নিজৰ মন প্ৰাণ, সময়, মান-সন্মান বিসৰ্জন দি, ধৰ্মৰ মহানতা প্ৰতিষ্ঠা কৰিবলৈ আৰু ইছলামৰ পয়গাম পৃথিৱীত বিস্তাৰ লাভ কৰাৰ বাবে যথাযথ প্ৰচেষ্টাৰ বাবে প্ৰস্তুত থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)ৰ প্ৰতি হজৰত মছীহ মাওউদ (আঃ)ৰ হৃদয়ত যি প্ৰেম আছিল ইয়াৰ মানচিত্ৰ তেখেতৰ এটা উদ্ধৃতিত এনেদৰে পোৱা যায়, তেখেতে কৈছে যে সদায় আশ্চৰ্যৰ দৃষ্টিৰে চাও যে এইজন আৰবী নবী যাৰ নাম মহম্মদ (ছাঃ) (তেখেতৰ ওপৰত হাজাৰ হাজাৰ দৰূদ)কিমান উচ্চমানৰ নবী হয়। তেখেতৰ মহত্বৰ অন্ত জানিব পৰা নাযায় ইয়াৰ পৱিত্ৰ প্ৰভাৱৰ ধাৰণা কৰাটো মানুহৰ কাম নহয়। পৰিতাপ যে যিদৰে চিনাক্ত কৰাৰ অধিকাৰ আছিল সেইদৰে তেখেতৰ মহত্বক চিনাক্ত কৰা হোৱা নাই। সেই তৌহিদ যি পৃথিৱীৰ পৰা হেৰাই গৈছিল সেয়া দ্বিতীয়বাৰ পৃথিৱীত লৈ অহাজন এজন বীৰত্ব আছিল। তেখেতে খোদাৰ প্ৰতি অনন্ত প্ৰেম কৰিছে মানৱৰ প্ৰতি সহানুভুতিৰ মৰ্যাদা উচ্চ পৰ্যায়ৰ দেখুৱাইছে, এনে কামতেই জীৱন অতিবাহিত কৰিছে। খোদা তা'লাই তেওঁৰ হৃদয়ৰ ৰহস্যক জানিব পাৰিছিল তেখেতক সমগ্ৰ নবী, সকলো প্ৰাথমিক আৰু আখিৰিন সকলৰ ওপৰত উৎকৃষ্ট কৰিছে; আৰু তেওঁৰ উদ্দেশ্য তেওঁৰ জীৱন কালতেই তেওঁক প্ৰদান কৰিছে। তেখেতই সকলো অনুগ্ৰহৰ কেন্দ্ৰবিন্দু; আৰু যি ব্যক্তিয়ে তেওঁৰ স্বীকাৰোক্তি অবিহনে কোনো উৎকৃষ্টতাৰ দাবী কৰে তেওঁ মানুহ নহয়, চয়তানৰ বংশ; কিয়নো সমগ্ৰ উৎকৃষ্টতাৰ চাবি তেখেতক প্ৰদান কৰা হৈছে। হুজুৰ আনোৱাৰ (আঃ)য়ে কৈছে যে এইবোৰ কথা আছিল ৰছুল (ছাঃ)ৰ প্ৰতি ভালপোৱাৰ; যাৰ কাৰণে আল্লাহ তা'লাই তেখেতক আগমন কৰিছে। আল্লাহ তা'লাই কৈছে যে মই এই প্ৰেম আৰু ভালপোৱাৰ কাৰণে এই মৰ্যাদা প্ৰদান কৰো যে তুমি মছীহ ও মাহদী হোৱাৰ ঘোষণা কৰা আৰু ইছলামৰ পুনৰ জীৱিতৰ প্ৰতিজ্ঞা আজি পূৰ্ণ কৰি তোমাৰ অধীনস্থ এই কাম ন্যস্ত কৰো।

ইয়াৰ পিছত তেখেত (আঃ)য়ে ইয়াৰ অধিকাৰ আদায় কৰে। তেখেত (আঃ)য়ে নিজৰ জামাতক উপদেশ দি কৈছে যে মছীহ মাওউদৰ সৈতে চাহাবা সকলৰ নিচিনা জামাত হ'ব। এইটো আল্লাহ তা'লাৰ বক্তব্য আছিল যেতিয়া আমি বয়াতৰ অন্তৰ্ভুক্ত হৈছো যে আঁহজৰত (ছাঃ)ৰ নাম উজ্জ্বল কৰিম, ইছলামৰ নাম উজ্জ্বল কৰিম আৰু প্ৰচাৰ-প্ৰসাৰ পৃথিৱীৰ প্ৰান্তলৈকে পৌচাম এনে ক্ষেত্ৰত আমি চাহাবা সকলৰ ৰূপ ধাৰণ কৰিব লাগিব। কৈছে আমাৰ নবী কৰিম (ছাঃ)ৰ চাহাবা সকলে নিজৰ খোদা আৰু ৰছুলৰ বাবে নিজৰ প্ৰাণ বিসৰ্জন দিছে। সেইটো কি আছিল যিয়ে তেওঁলোকক প্ৰাণ বিসৰ্জন দিবলৈ উদ্গনি দিছিল, সেইটো আছিল প্ৰকৃত ঐশ্বৰিক প্ৰেমৰ উৎসা যাৰ ৰশ্মি তেওঁলোকৰ হৃদয়ত সোমাই গৈছিল। গতিকে কোনো নবীৰ সৈতে তুলনা কৰি লোৱা, ইয়াৰ দৃষ্টান্ত কতো পোৱা নাযাব। আঁহজৰত (ছাঃ)ৰ চাহাবা সকলৰ মৰ্যাদা এনেকুৱা আছিল আৰু তেওঁলোকৰ মাজত পাৰস্পৰিক ভালপোৱা আছিল ইয়াৰ মানচিত্ৰ দুটা অংশত বৰ্ণনা কৰা হৈছে। সেই প্ৰেম যি তেওঁলোকৰ মাজত সৃষ্টি হৈছিল সেয়া কেতিয়াও নহ'লহেঁতেন যদিও সোণৰ পাহাৰও সিহঁতক দিয়া হ'লহেঁতেন। হজৰত মছীহ মাওউদ (আঃ)য়ে আমাক সুধে যে আপোনালোকে তেকেুৱাই হয় নে ? চাহাব সকল তেনেকুৱা আছিল যিসকলে নিজৰ প্ৰাণ, সম্পদ খোদাৰ পথত বিসৰ্জন দিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আমাৰ বাবে ইমান কঠোৰতা নাই, যুদ্ধ নহ'ব; আমাক যি কোৰবাণী কৰাৰ সুযোগ প্ৰদান কৰিছে তাৰ মাজত প্ৰাণ, সম্পদ আৰু সময়ক কোৰবাণ কৰাৰ যি অঙ্গীকাৰ কৰা হৈছে ইয়াৰ বাবে প্ৰস্তুত থকা উচিত। হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ জামাতক অন্তৰ্দৃষ্টিমূলক উদ্ধৃতিৰ আলোকত উপদেশ সমূহৰ বৰ্ণনা কৰিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰআন কৰিম পঢ়ক, কাহিনীৰূপে নহয়। এঠাইত কৈছে যে লোকসকলে কিমান সুন্দৰ কণ্ঠত কোৰআন পাঠ কৰে কিন্তু কণ্ঠৰ তললৈ নাহে। কোৰআন কৰিম যাৰ দ্বিতীয় নাম জিকৰ মানুহৰ ভিতৰত গুপ্ত সত্যতাক সোঁৰৰাই দিয়াৰ বাবে অৱতীৰ্ণ হৈছে। কোৰআন বৰ্তমান যুগতেও জিকৰ ইয়াক শিকাবলৈ আকাশৰ পৰা এজন শিক্ষকৰ আগমন হৈছে যিয়ে আখাৰিনা মিনহুমৰ সত্যায়ন আজিও বিদ্যমান। আমাৰ যিসকল বিৰুদ্ধবাদী তেওঁলোকে আমাৰ নহয়, বৰঞ্চ এওঁলোকে খোদাৰ প্ৰতিশ্ৰুতিৰ সন্মান নকৰা লোক। এইসকল সেই লোক যিসকলৰ কণ্ঠৰ পৰা কোৰআন তললৈ নাহে। আদেশ উপদেশ সমূহও শ্ৰৱণ নকৰে। খোদা তা'লা ধৈৰ্য আৰু উত্তম ধাৰণাৰে কাম সম্পাদন কৰিবলৈ কয়, কিন্তু এওঁলোকে কেৱল বিৰোধীতাই কৰে। আজি ইছলামৰ বাহিৰে আন কোনো ধৰ্ম নাই যিয়ে মানুহক জীৱন দান কৰিব পাৰে আৰু খোদা তা'লাই এই কাম সম্পাদন কৰাৰ বাবে মাধ্যম সৃষ্টি কৰে যদিওবা সেয়া আমি দৃষ্টিগোচৰ হওঁ, আৰু বুজি পাও বা নাপাওঁ।

যিদৰে পূৰ্বৰ যুগত খোদা তা'লাই হজৰত মহম্মদ (ছাঃ)ক আগমন কৰি পোহৰ অৱতীৰ্ণ কৰিছে আৰু এই যুগত খোদা তা'লাই মোক অৱতৰণ কৰিছে। মই খোদাৰ পক্ষৰ পৰা হওঁ, ইচ্ছা কৰিলে মোক গ্ৰহণ কৰা বা নকৰা। খোদা তা'লাই বিচাৰিছে শেষ যুগত ইছলামৰ দ্বিতীয় জীৱন মছীহ মাওউদ আঃ)ৰ জৰিয়তে হওঁক। সেই কাৰণে তেখেতক কাছৰে ছালিবৰ উপাধি প্ৰদান কৰা হৈছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে যেতিয়া খোদা তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক প্ৰেৰণ কৰে তেতিয়া খ্ৰীষ্টান ধৰ্মৰ নৈৰাজ্যৰ প্ৰবলতা আছিল যাৰ দৃষ্টান্ত পূৰ্বৰ যুগত পোৱা নাযায়। এই ফিৎনাৰ সময়ত খোদাৰ ইচ্ছা নাছিল নে যে সেইজনাই কাছৰে ছলিবৰ আগমন ঘটাব। সেই কাৰণে সেইজনাই মছীহ মাওউদক প্ৰেৰণ কৰিছে। আজি জামাতৰ কৰ্তব্য যে তেওঁলোকে মছীহ মাওউদৰ কাম আগলৈ লৈ যোৱা আৰু আঁহজৰত (ছাঃ), ইছলাম, কোৰআনৰ ওপৰত অভিযোগ উত্থাপনকাৰীৰ যুক্তিৰ সৈতে উত্তৰ দি এই নৈৰাজ্যৰ অন্ত পেলোৱা। এইটো খোদা তা'লাৰ অঙ্গীকাৰ আছিল যে মছীহ মাওউদ (আঃ)ৰ সততা পৃথিৱীত বিস্তৃত হ'বলগীয়া আছিল আৰু বিস্তাৰ লাভ কৰিব, তেখেতৰ বিৰোধীতা যিমানেই নকৰক কিয় ইয়াৰ কোনো প্ৰভাৱ নপৰে।

লোকসকলে কয় যে মছীহ মাওউদ কিয় আগমন কৰিছে আমি ইছলামৰ সমূহ স্তম্ভ পালন কৰি আছো ? ইয়াৰ উত্তৰ হুজুৰ (আঃ)য়ে নিজেই দিছে যে তোমালোকৰ নিজৰ অৱস্থাই ইয়াৰ উত্তৰ যে সজ কাম সম্পাদন কৰা সত্ত্বেও পুণ্যৰ প্ৰভাৱ কিয় প্ৰকাশ নাপায় ? তেওঁলোকৰ সমূহ কাম, সজ কামৰ ৰূপ নহয় বৰঞ্চ বাকলিৰ নিচিনা যাৰ মাজত মগজু নাথাকে। মুছলমান সকলে আজি নিজেই স্বীকাৰ কৰে যে আমি পতনৰ সন্মুখীন, এজন সংস্কাৰকৰ আগমন হোৱা উচিত যিয়ে আমাৰ সহায় কৰিব। কৈছে আমাৰ বিৰুদ্ধাবাদীসকল আমাৰ দাস যে তেওঁলোকে আমাৰ পয়গাম বিৰোধীতাৰ ফলতেও পৃথিৱীত বিস্তাৰ লাভ কৰি আছে। মোক কয় যে দোকানদাৰী প্ৰসাৰিত কৰি ৰাখিছে যদি ইয়াক শুদ্ধ ক'বলগা হয়

তেন্তে আমাৰ কাম সাংসাৰিকৰ বাবে মৃতৰ নিচিনা। আমাৰ কাম ধৰ্মক বিদাতৰ পৰা আঁতৰত ৰখা তথা ইছলামৰ লগতে আন আন ধৰ্মৰ বাস্তৱতা প্ৰকাশ কৰা। খোদা তা'লাই ৰহমতস্বৰূপ কোৰআন আৰু হুজুৰ (ছাঃ)ক প্ৰেৰণ কৰিছে। ৰমজানৰ দিনবোৰত কোৰআন পাঠ কৰিব, বুজিব আৰু ইছলামী শিক্ষাৰ ওপৰত পৰিচালিত হৈ সেয়া পৃথিৱীত বিস্তাৰ লাভ কৰি আমি হজৰত মছীহ মাওউদ (আঃ)ৰ অভিযান আগলৈ লৈ যোৱাৰ প্ৰয়াস কৰা উচিত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে শেষত মই পাকিস্তানৰ আহমদী সকলৰ বাবে দোৱাৰ প্ৰতি আবেদন কৰিব বিচাৰো। আল্লাহ তা'লা তেওঁলোকৰ পৰিস্থিতি সহজ কৰি দিয়ক। আজিকালি বিৰোধীতাৰ প্ৰবলতা তীব্ৰ হৈ আছে, চাৰিওফালৰ পৰা কষ্ট দিয়াৰ চেষ্টা চলি আছে। যিকোনো অজুহাত তেওঁলোকে উত্থাপন কৰে ইয়াৰ উদ্দেশ্য কেৱল আহমদী সকলক ক্ষতি কৰা। আল্লাহ তা'লাই সেই নিপীড়িত সকলক সুৰক্ষিত ৰাখক। সাধাৰণতে মুছলমান উম্মতৰ বাবে দোৱা কৰিব আল্লাহ তা'লা তেওঁলোকক বিবেক বুদ্ধি দান কৰক, আৰু পৰিস্থিতি ভাল কৰক আৰু তেওঁলোকৰ ওপৰত দয়া কৰক। প্ৰাচ্যৰ মধ্যমীয়া দেশৰ মুছলমান সকলৰ ওপৰত পুনৰায় অত্যাচাৰ কৰা আৰম্ভ হৈছে। আল্লাহ তা'লা তেওঁলোকক অত্যাচাৰী সকলৰ পৰা নিৰাপদে ৰাখক, তেওঁলোকৰ ওপৰত দয়া কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 21 MARCH 2025**

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................

..............................................................................................

..............................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB